# Assam Legislative Assembly Debates

*OFFICIAL REPORT*

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**WINTER SESSION**

**VOL. VI**

No. 3

**The 27th November, 1984**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI DISPUR, GUWAHATI-5, 1990*

# Assam Legislative Assembly Debates

*OFFICIAL REPORT*

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**WINTER SESSION**

**VOL. VI**

No. 3

**The 27th November, 1984**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI DISPUR, GUWAHATI-5, 1990*

# DEBATES OF ASSAM LEGISLATIVE ASSEMBLY

( *Winter Session* )

Volume—VI

No. 3

**Dated the 27th November, 1984**

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Announcement from the Chair | 16 |
| 3. | Statement by Chief Minister | 17 |
| 4. | Laying of Statement under Rule 69 (1) and introduction of Government Bills | 19 |
| 5. | Government Resolution | 21 |
| 6. | Adjournment | 36 |

Proceedings of the Sixth Session of the Assam Legislative Assembly Assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 27th November, 1984 with the Hon. Speaker in the Chair, **16 ( Sixteen )** Ministers, **15 ( Fifteen )** Ministers of State, and **64 ( Sixty four )** Members present.

## STARRED

### Questions and Answers

( To which oral replies were given )

Date : 27th November, 1984.

Re : Settlement of ceiling surplus land

Dr. Tarini Mohan Barooa asked :

*5 Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that the people residing on the ceiling surplus land has submitted affidavit and kabula according to the Govt. circular for Settlement of land ?

(b) If so, when proper action will be taken ?

(c) Whether the people residing on the ceiling surplus or Govt. land on the Maghalaya border specially in the villages-Bakrapara, Latakata, Pilingkata and Ganeshnagar of Dispur constituency will get settlement as a special case ?

Shri Padam Bahadur Chouhan (Minister of state, Revenue) replied :

5. (a) It is a fact that some people residing on the ceiling surplus land have submitted affidavits and kabula for settlement of land.

(b) Petitions received from the people have been forwarded to Deputy Commissioner, Kamrup for submission of reports. The reports have not yet been received from the Deputy Commissioner, Kamrup. Government will consider the cases of the genuine landless and permanent residents of Assam as and when the reports will be received from the Deputy Commissioner, Kamrup.

(c) Government will consider the cases of the people residing on the Assam, Meghalaya Border area.

ডাঃ তাৰিনী মোহন বৰুৱা—মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জনাৰ ওপৰিও তাৰ প্ৰতিকাৰ বিচাৰিছো যি কেইখন গাওঁ বাকৰাপাৰা, লটাকতা টিলিংকতা, গণেশনগৰ এই কেইখন মেঘালয় সীমাত অৱস্থিত। এইবিলাক মানুহ বহুতদিনৰ পৰা সেই চিলিং চাৰপ্লাচ লেণ্ডত বহি আছে আৰু খেতিবাতিও কৰি আছে। তাৰ্লৈ কিছুমান মেঘালয়ৰ ফালৰ পৰাও

মানুহ আছে আৰু খেতি কৰে, ফলত তেওঁলোকৰ মাজত এটা সংঘৰ্ষৰ ভাব উদয় হৈছে। তেওঁলোকৰ মাজত সংশয়ো হৈছে মাটিখিনি মেঘালয়ৰ নে অসমৰ ভিতৰত পৰে কাৰণ মেঘালয়ৰ মানুহ আহিও খাজনা দিছে। গতিকে আইন শৃঙ্খলা ৰক্ষাৰ হেতু আৰু মাটিৰ মালিকীস্বত্ব ৰক্ষাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে? অন্ততঃ মাটিখিনি যাতে অসমৰ স্বত্বত থাকে তাৰ বাবে বহি থকা লোক সকলক সোনকালে বিশেষ ব্যৱস্থা হিচাবে চেটেলমেণ্ট দিয়াৰ ব্যবস্থা কৰিব নে?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্যিক ৰাজহ মন্ত্ৰী)—এই মানুহখিনিয়ে যদি চৰকাৰৰ নীতি নিয়ম মানি আগবাঢ়ি আছে আৰু তেওঁলোকক যদি জেনুইন বুলি বিবেচনা কৰা হয় তেতিয়া নিশ্চয় তেওঁলোকৰ কথাটো বিবেচনা কৰা হব।

ডাঃ তাৰিনী মোহন বৰুৱা—এই মানুহখিনিয়ে বহুত দিনৰ পৰা চেষ্টা কৰি আহিছে তেওঁলোক এফিদেফিট কবুলা আদি দিছে তেওঁলোকক আশ্বাসো দিয়া হৈছিল যে তেওঁলোকে পৰ্টন পাব বুলি। গতিকে বোৰ্ডাৰ বেৰিয়াৰ হিচাবে তেওঁলোকক স্থায়ীভাবে বসবাস কৰিবলৈ দি মাটিখিনি ৰক্ষণা-বেক্ষনৰ কিবা ব্যৱস্থাৰ কথা চৰকাৰে চিন্তা কৰিছে নে?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্যিক মন্ত্ৰী)—এইবিলাক কথা বিবেচনা কৰিয়ে গ্ৰেটাৰ গুৱাহাটীৰ ভিতৰত ১৯৮৩ চনত কেবিনেটে মাটি চেটেলমেণ্ট নিদিয়াৰ যি সিদ্ধান্ত লৈছিল এতিয়া তাক খুলি দিয়া হৈছে। গতিকে গ্ৰেটাৰ গুৱাহাটীৰ ভিতৰত যি সকলে মাটিৰ কাৰণে আবেদন কবুলা আদি দিছে সেই দৰ্খাষ্ট বিলাক বিবেচনা কৰি থকা হৈছে আৰু উপা-য়ুক্তৰ পৰা ৰিপোৰ্ট পালে নিশ্চয় বিবেচনা কৰা হব।

ডাঃ তাৰিনী মোহন বৰুৱা—ইতিমধ্যে এই মাটিখিনি অসমৰ ভিতৰত পৰেনে নপৰে এই বিষয়ে চিন্তা কৰি তাক ৰক্ষনাবেক্ষন দিয়াৰ ব্যৱস্থা চৰকাৰে লবনে?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্যিক মন্ত্ৰী)—অসমৰ চাৰিসীমাৰ ভিতৰত থকা

মাটি বিলাকৰ নিশ্চয় ৰক্ষনাবেক্ষনৰ ব্যৱস্থা কৰা হব।

Shri Altaf Hussain Mazumdar—Will the Minister be pleased to state whether there is any particular procedure or any Govt. circular which govern settlement of Govt. land to those who are in possession of the land?

Shri Padam Bahadur Chouhan (Minister of State)—There is a procedure and we have circulated it. Those who think that they are eligible to get land in greater Gauhati may apply and if they fulfil the rules and procedure their cases will be considered.

Shri Altaf Hussian Mazumdar—Will the Minister be pleased to circulate a copy of this so that we can know above it.

Shri Padam Bahadur Chouhan (Minister of State)—Yes Sir.

শ্রীপূর্ণ বড়ো—এই যি কেইখন গাওঁৰ কথা কলে বাকৰাপাৰা লটাকতা আদি গাওঁ তাৰে কিমান সংখ্যক লোকে এফিদেফিট কবুলা দিছে আৰু তেওঁলোকে কেতিয়া দিছে আৰু কেতিয়া উপায়ুক্তৰ ৰিপোৰ্ট বিচৰা হৈছে জনাব নে?

শ্রীপদম ৰাহাদুৰ চৌহান (ৰাজ্যিক মন্ত্রী)—গ্রেটাৰ গুৱাহাটীত আগতে মাটি বণ্টন বন্ধ আছিল এতিয়া খোলাৰ পাছত প্রত্যেক দিনেই মানুহে কবুলা দিছে, কোনে কেতিয়া দিছে সেই হিচাব দিয়া টান। কিন্তু আমি সকলোবিলাকৰে ৰিপোৰ্ট বিচাৰিছো। ৰিপোৰ্ট আহিলে এই বিষয়ে বিবেচনা কৰিম।

শ্রীপূর্ণ বড়ো—এতিয়ালৈকে এফিদেফিট দিয়া আৰু কাবুলা দিয়া কাকো মাটি দিয়া হোৱা নাই নেকি?

শ্রীপদম ৰাহাদুৰ চৌহান (ৰাজ্যিক মন্ত্রী)—গ্রেটাৰ গুৱাহাটীৰ ভিতৰত যি সকলৰ ৰিপোৰ্ট আহিছে যাক জেনুইন বুলি ভবা হৈছে দুই এজনক দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো—মন্ত্ৰী মহোদয়ে আন্দাজত কথা কৈছে। এই কৈছো মাটি দিয়া হৈছে নেকি? কাৰণ যি সকলে আবেদন কৰিছে তেওঁলোকৰ বহুতে খেতিয়ক নহয়, কম দৰ্মহাৰ চাকৰিয়াল, তেওঁলোকক দিবনে?

শ্ৰীপদম বাহাদুৰ চৌহান (ৰাজ্যিক মন্ত্ৰী)—মই আগতে কৈছো যিবিলাকৰ ৰিপোৰ্ট পাইছো বা ৰিপোৰ্ট আহিলে নিশ্চয় চিন্তা কৰিম। গুৱাহাটীৰ ভিতৰত মাটিৰ কাৰণে খেতিয়ক হব লাগে কথা নাই।

Shri Binoy Kumar Basumatari—Sir, lots of people were evicted when the capital was constructed at Dispur. Whether the Government has taken any measure to make a list of those people from Dispur who have lost their land and now whether the Govt. is making any arrangement to rehabilitate them ?

Shri Padam Bahadur Chouhan (Minister of State, Revenue)—Sir, they have already got their compensation. So, they are also in the same category as other people.

Shri Binoy Kumar Basumatari—Sir, will the compensation enable a person to live his entire life ?

Shri Padam Bahadur Chouhan (Minister of State, Revenue)—Sir, this question I cannot answer.

Shri Binoy Kumar Basumatary—Sir, does giving of compensation absolve the Government from giving alternative sites ?

Shri Padam Bahadur Chouhan, (Minister of State, Revenue)—This is the general procedure. What land we acquired we paid them compensation as per rules and provisions.

Shri Binoy Kumar Basumatary – That is alright, Sir. But when the compensation money is exhausted, and the government does not pay it at the market rate, they pay it according to their own rules at about 1/4th of the real price which by itself is an injustice, then, how can these tribal people who have been evicted live somewhere else ?

A clear Statement should be made by the Government whether our people will be given alternative site or not !

Shri Padam Bahadur Chouhan (Minister of State, Revenue)— If they come formally we will consider.

Shri Binoy Kumar Basumatary—Sir, it is not a matter of the affected people only it is also the responsibility of the Government to give alternative site and not money only. Will the Government take the responsibility of making a list of the people ?

Shri Padam Bahadur Chouhan (Minister of State, Revenue)— Sir, that demand should come from the affected people.

Shri Binoy Kumar Basumatary—Sir, we are the public representatives. It is our responsibility and the Govt.'s responsibility and not only the responsibility of the public.

শ্রীতাৰিণী মোহন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে যিবিলাক মানুহ মেঘালয়ৰ পৰা আহি তাত খেতি-বাতি কৰিছে সেই মানুহ-

বোৰৰ প্ৰতিকাৰৰ নিমিত্তে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী —এই বিষয়ে আমি বিবেচনা কৰিম ।

Re : Weavers powerloom training.

Shri Chandradhar Kalita asked :

*6. Will the Minister, Industries be pleased to State—

(a) Whether it is a fact that a batch of boys were given weavers powerloom training at Guwahati and Silchar by ASIDC in 1982 and if so whether the Govt. has any plan to absorb these boys under any schemes since none of them has so far been employed ?

(b) If so whether the successful trainees would be provided jobs in Manikpur-Bhatipara under Kokrajhar District Spinning Mills ?

Shri Jiba Kanta Gogoi ( Minister of State, Industries )

6. (a) Yes, ASIDC has trained 100 young people in polyster yarn weaving in Guwahati and Silchar. State Govt. is holding licence for 10,000 powerlooms and the objective of training these persons was to motivate them for taking up powerloom weaving as means of their livelihood and use polyster yarn to be produced by the spinning mills based on the BRPL down stream products.

(b) Spinning Mills being set up in the State would

convert polyster staple fibre into yarn. There is no provision for weaving in these mills, and therefore there is no question of providing jobs in spinning mills.

Shri Chandradhar Kalita—Sir, there is no provision for absorbing them after the training. What is the Government thinking for their work ?

Shri Jiba Kanta Gogoi (Minister of State, Industries)—Sir, there was no job guarantee. That is only for training.

Shri Altaf Hussain Mazumdar—Sir, when the Government train the persons, do the Government assure them to give employment under any scheme ?

Shri Jiba Kanta Gogoi (Minister of State, Industries)—Yes.

Shri Altaf Hussain Mazumdar—Sir, when these people have been trained with a certain purpose that they either will be absorbed in some jobs or they may be self-reliant: What the Government is thinking about them ?

Shri Jiba Kanta Gogoi (Minister of State, Industries)—At present we have got about 850 power looms and there is proposal for 10,000 looms which is likely to come up in about 10 years time and in the meantime some of them have been appointed.

Shri Altaf Hussain Mazumdar—That means we will have to wait for 10 years. My specific question is what

steps have been taken? It it not the question of jobs. Once training is given, has any step been taken to make them self-reliant or make them do their own business?

Shri Jiba Kanta Gogoi(Mister of State, Industries)—Those trainees were trained for weaving and we have not set up a single spinning mill yet. We have started the construction and when the construction work will be completed they will be appointed and in the meantime 850 power looms were there. There also they can be appointed.

বিঃ অসম-বাংলাদেশৰ সীমা।

শ্ৰীমথুৰা ডেকাই সুধিছে—

*৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম আৰু বাংলাদেশৰ মাজত পৰা অঞ্চল সমূহৰ সীমা নিৰ্দ্ধাৰণ সম্পূৰ্ণ হৈছে নে?

(খ) যদি হোৱা নাই, সীমা নিৰ্দ্ধাৰণৰ বাবে কিমান মাইল বাকী আছে জনাব নে?

(গ) দুয়ো দেশৰ মাজত থকা সীমাৰ পৰা কোনো দেৱাল বা কাটা তাঁৰৰ বেৰৰে নতুবা সীমা ৰক্ষী পুলিচৰ দ্বাৰা পহৰা দিয়া হৈছে নেকি?

(ঘ) এনেভাৱে থকা পহৰা ৰক্ষী চকীৰ সংখ্যা কিমান আছে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিয়ে:

৭। (ক) অসম আৰু বাংলাদেশৰ মাজৰ সীমাৰ ধুবুৰী (অসম) ৰংপুৰ (বাংলা-

দেশ) খণ্ড আৰু কাছাৰ (অসম) শ্ৰীহট্ট (বাংলাদেশ) খণ্ডু সম্পূৰ্ণকৈ নিৰ্দ্ধাৰণ কৰা হৈছে। কৰিমগঞ্জ (অসম), শ্ৰীহট্ট (বাংলাদেশ) খণ্ডৰ সীমা ৮ কিঃ মিঃ বাদে সম্পূৰ্ণ নিৰ্দ্ধাৰণ কৰা হৈছে।

(খ) কৰিমগঞ্জ (অসম), শ্ৰীহট্ট (বাংলাদেশ) খণ্ডৰ নিৰ্দ্ধাৰিত নোহোৱা সীমাৰ দৈৰ্ঘ্য অনুমানিক প্ৰায় ৮ কিলোমিটাৰ (৫ মাইল)।

(গ) ভাৰত-বাংলাদেশৰ সীমাত কাটা তাঁৰৰ বেৰ, অসমৰ সীমাৰ পৰা আৰম্ভ কৰাৰ কথা আছে। কাটা তাঁৰ দিয়াৰ কাম আৰম্ভ হৈছিল। কিন্তু বৰ্ত্তমানে স্থগিত ৰখা হৈছে। ভাৰতৰ সীমা সুৰক্ষাৰ দায়িত্ব সীমা নিৰাপত্তা বাহিনীৰ ( B.S.F. ) ওপৰত ন্যস্ত আছে।

(ঘ) অসম সীমা খণ্ডত B.S.F. ৰ সীমা পহৰা চকীৰ সংখ্যা ৭৯ টা। এই পহৰা চকী বিলাকৰ দূৰত্ব গড়ে ৩.৫ কিঃ মিঃ।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটি কথা জানিব বিচাৰিছো যে আমাৰ ভাৰতবৰ্ষ স্বাধীন হোৱা বহুদিনেই হল, কিন্তু ইমান বছৰ পাৰ হৈ যোৱাৰ পিচতো আজিলৈকে আমাৰ সীমা নিৰ্দ্ধাৰণৰ কামটো কিয় সম্পূৰ্ণ হৈ নুঠিল সেইটো জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই সীমাৰ কাম মাত্ৰ ৮ কিলোমিটাৰতহে বাকী আছে। এই বাকী থকা কামখিনিৰ কাৰণেও আমি কেন্দ্ৰৰ লগত যোগাযোগ কৰি আছো আৰু অতি সোনকালেই সেই সীমা বিবাদৰ কাম আমি শেষ কৰিব পাৰিম বুলি ভাবিছো।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, চৰকাৰে ভাৰত-বাংলাদেশ সীমাত কাটা তাঁৰৰ বেৰ দিয়াৰ কথা আছিল। কিন্তু এই কাটা তাঁৰৰ বেৰ দিয়াৰ কাম বন্ধ ৰখাৰ কাৰণ কি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, কাটা তাঁৰৰ বেৰ দিয়াৰ কাম আৰম্ভ কৰা হৈছিল কিন্তু এই বেৰ ক'ত দিয়া হব সেইটো লৈ দুই দেশৰ মাজত অলপ বিবাদ হোৱাৰ কাৰণে এই কাম বন্ধ ৰখা

হৈছে আৰু এই বিষয়টো লৈ দুয়োখন দেশৰ মাজত আলোচনা চলাই থকা হৈছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, কাটা তাঁৰৰ বেৰ দিওতে কিমান ধনৰ খৰছ হব আৰু সেই টকা কেন্দ্ৰীয় চৰকাৰে কেতিয়ালৈ দিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই টকা কেন্দ্ৰীয় চৰকাৰে দিব আৰু এই বছৰ ইয়াৰ বাবে ৫ কোটি টকা দিছে। বাকী টকা পিচত দিব।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, এই কাটা তাঁৰৰ বেৰ দিয়াৰ সম্পৰ্কত কি বিৰোধ চলি আছে সেই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, কাটা তাঁৰৰ বেৰ দিয়াৰ কাম আৰম্ভ কৰিব লাগে জিৰ' লাইনৰ ওপৰত ভিত্তি কৰি। এই লাইনৰ ওপৰত ভিত্তি কৰি কাম কৰিব লওঁতেই বাংলাদেশ চৰকাৰৰ পৰা কিছুমান আপত্তি উঠিল। এতিয়া যিহেতু এই বিষয়টো এটা আন্তৰ্জাতিক বিষয় সেই হেতুকে এইটোৰ নিষ্পত্তিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু বাংলাদেশৰ বিষয়া বৰ্গৰ লগত আলোচনা চলি আছে আৰু শীঘ্ৰেই ইয়াৰ নিষ্পত্তি হোৱাৰ সম্ভাৱনা আছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে এইটো জনাবনে যে বাংলাদেশৰ ফালৰ পৰা আপত্তি কৰাৰ কাৰণেই ভাৰত চৰকাৰে এই কাম বন্ধ ৰাখিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া )মুখ্যমন্ত্ৰী)--অধ্যক্ষ মহোদয়, তেওঁলোকৰ লগত নিষ্পত্তি নোহোৱাৰ কাৰণেই এই কাম বন্ধ ৰখা হৈছে।

Shri Binoy Kumar Basumatary—Whether a part of the barbed wire fencing was already erected and interrupted ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—কাম আৰম্ভ কৰা হৈছে।

Shri Binoy Kumar Basumatary—How far did the work extend ? How many miles or how many kilometre of the fencing was erected ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অলপ আৰম্ভ হৈছে ।

Shri Binoy Kumar Basumatary—Was it on the one post or how much ?

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, এই কাটা তাঁৰৰ বেৰৰ কাম পুনৰ আৰম্ভ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে আৰু এই কাম সম্পূৰ্ণ কৰিবলৈ কিমান দিন সময় লাগিব সেই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয়। সম্প্ৰতি কাম আৰম্ভ কৰাহে হৈছে কিমান দিনত শেষ হব সেইটো এতিয়াই কব নোৱাৰি ।

শ্ৰীআফজালুৰ ৰহমান—অধ্যক্ষ মহোদয়, চৰকাৰে যি জিৰ' লাইনৰ কথা কৈছে সেই লাইনত কাটা তাঁৰৰ বেৰৰ কাম আৰম্ভ কৰিলে বহুতো পৰিয়াল ক্ষতিগ্ৰস্ত হব । সেই পৰিয়াল সকলৰ কাৰণে বিকল্প ব্যৱস্থা লোৱাৰ কথা চৰকাৰে কিবা চিন্তা কৰিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—এই বিষয়ে ব্যৱস্থা লোৱা হব ।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, বাংলাদেশ আৰু অসমৰ সীমাৰ যিবোৰ পিলাৰ আছে সেই পিলাৰৰ মাজত যিখিনি মাটি আছে সেই মাটিত কিছুমান ঠাইত অসমৰ মানুহে আৰু কিছুমান ঠাইত বাংলাদেশৰ মানুহে খেতি-বাতি কৰে । মই নিজে সুতাৰকান্দি অঞ্চলত দেখিছিলো তাত থকা বি-এচ-এফ চকীৰ কাষতে থকা তেনে মাটিত বাংলাদেশৰ মানুহে খেতি-বাতি কৰি আছে । এই মানুহবোৰক উচ্ছেদ কৰাৰ কোনো ব্যৱস্থা নাই নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এনে ধৰণৰ গোচৰ দুই-এটাৰ

কথা আমি পাই আছো। গোৱালপাৰা আৰু কৰিমগঞ্জৰ দুই এঠাইত এনে ধৰণৰ ঘটনা ঘটি আছে। আনকি এঘৰ মানুহৰেই এটা ঘৰ অসমৰ ফালে আৰু আন এটা ঘৰ বাংলাদেশৰ ফালে আছে। এতিয়া কথা হল—দুই দেশৰ মাজত চলি থকা আলোচনা নিষ্পত্তি হলেই সীমা বিবাদৰো ওৰ পৰিব আৰু তেতিয়া এনে ধৰণৰ ঘটনা বন্ধ কৰিব পৰা হব।

শ্ৰীআফজালুৰ ৰহমান—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে সীমা বিবাদ আৰু কাটা তাঁৰৰ বেৰ বিয়াৰ কাৰণে আঁচনি লোৱা হৈছে আৰু তাৰ বাবে দুই দেশৰ মাজত আলোচনা চলাই থকা হৈছে। কিন্তু এই আলোচনা আৰু অ'াচনি কেনে ধৰণৰ তাক চৰকাৰে কিয় গোপনে ৰাখিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বিষয়ে কোনো গোপনীয়তা নাই। ইতিমধ্যে এই কাম আৰম্ভ কৰা হৈছেই। আৰু তাৰ বাবে চাৰ্ভে আদিৰো কাম কৰি থকা হৈছে। বাকী থকা কামো পুনৰ আৰম্ভ কৰা হব।

Shri Binoy Kumar Basumatary— The hon'ble Chief Minister has said now that the work has not started ? Which work ?

Shri Hiteswar Saikia (Chief Minister)—Border fencing.

Shri Binoy Kumar Basumatary—Sir, earlier he said that work has been started and how he says now that the work has not started ?

Shri Hiteswar Saikia (Chief Minister)—It was started and then stopped.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মোৰ আচল প্ৰশ্ন আছিল যে অসম আৰু

বাংলাদেশৰ সীমাত যাতায়তৰ কোনো প্ৰতিবন্ধকতা নোহোৱা। উদাহৰণ স্বৰূপে এজন বাংলাদেশীয়ে ৰাতিপুৱা কৰিমগঞ্জলৈ আহি দিনটো তাত ৰিক্সা চলাই গধূলি বাংলাদেশলৈ ঘূৰি যায়। এনে ধৰণৰ ঘটনা-বোৰ কেনেকৈ হবলৈ পাইছে সেই বিষয়ে চৰকাৰে কোনো মনোযোগ নিদিয়াৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—তেনেকুৱা ৰিপোৰ্ট মোৰ হাতত নাই।

Re: Road from Bakrarpara to H. N. 37.

Dr. Tarani Mohan Barooa asked:

*8. Will the Minister, P. W. D. be pleased to state—

(a) Whether it is a fact that the road from Bakrapara of Dispur constituency connecting N. H. 37 via Latakata, Pilingkata, Ganesh Nagar and Arundhuti which leads to Meghalaya belongs to State P: W: D: ?

(b) If not, will the Govt. take up the road immediately as the road is situated along the Meghalaya border ?

Smt. Syeda Anwara Taimur (Minister, P. W. D.) replied:

8. (a) No.

(b) There is no proposal at present.

শ্ৰীতাৰিণী মোহন বৰুৱা—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এই ৰাষ্টাটো পি-ডব্লিউ-দিৰ নহয়। কিন্তু কথা হৈছে বৰ্তমানে এই ৰাষ্টাটো কাৰ অধীনত আছে ? মেঘালয়ৰ ফালৰ মানুহে এই ৰাষ্টাটো তেওঁলোকৰ আৰু তেওঁলোকৰ ফালৰ কিছু অংশত শিল পেলাই ৰাষ্টাটো মেৰামতি কৰি গাড়ী চলাব পৰা কৰিছে। আৰু এই ৰাষ্টাটোৰে

মেঘালয়ৰ ফালৰ পৰা কাঠ আদি কঢ়িউৱাত ব্যৱহাৰ কৰিছে। এই বিষয়টোৰ প্ৰতি মন্ত্ৰী মহোদয়ে কিবা জানে নেকি?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আমাৰ মেপত যি ধৰণে দেখুৱা হৈছে সেই ধৰণে চাবলৈ হলে এই ৰাষ্টাটো ৩৩ আৰু ৩৪ নং মিউনিচিপেল ওৱাৰ্ডত পৰিছে। গতিকে এইটো মেঘালয়ত পৰিব নোৱাৰে।

শ্ৰীতাৰিণী মোহন বৰুৱা—অধ্যক্ষ মহোদয়, এই ৰাষ্টাটো নিৰ্মাণ কৰাৰ কাৰণে কৰ্পোৰেচনৰ ফালৰ পৰাও কাম হাতত লোৱা হৈছিল আৰু ইতিমধ্যে ইয়াৰ কিছু অংশৰ কাম কৰা হৈছে। কিন্তু এই ৰাষ্টাটো বৰ দীঘল হোৱাৰ কাৰণে কৰ্পোৰেচনৰ ফালৰ পৰা এই গোটেইখিনি কাম কৰাটো সম্ভৱ নহল। এতিয়া যিহেতু এই ৰাষ্টাটো এটা বৰ্ডাৰ ৰোড সেই ফালৰ পৰা এই ৰাষ্টাটোত আমি গুত্ব দিয়া উচিত। আনহাতে বৰ্তমানে গনেশ নগৰকে আদি কৰি সেই অঞ্চলত যি বিলাক মানুহ বসবাস কৰে তেওঁলোকে বৰ্তমানে থকা ৰাষ্টাটোৰে যাব লগা হয়। কিন্তু এই ৰাষ্টাটো মিলিটেৰি হস্পিটেলৰ মাজেৰে যোৱাৰ কাৰণে সাধাৰণ ৰাইজ কেতিয়াবা অসুবিধাত পৰে। গতিকে এই বৰ্ডাৰ ৰোডটোৰ উন্নতিৰ কাৰণে চৰকাৰে চিন্তা কৰিছে নেকি?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, বৰ্তমান সময়ত আমাৰ টকা-পইচাৰ বৰ অভাৱ। এই ৰাষ্টাটো চৰকাৰে লবলৈ হলে প্ৰায় চাৰে সাত লাখমান টকা লাগিব। বৰ্তমানে গুৱাহাটীৰ পৰা যিটো বাইপাছৰ কাম আৰম্ভ কৰা হৈছে সেইটো শেষ হোৱাৰ পিচতহে এই বিষয়ে চিন্তা কৰা হব। কিয়নো হটা পেৰেলেল ৰাষ্টা কৰাৰ নিয়ম কেন্দ্ৰীয় চৰকাৰৰ নাই।

শ্ৰীতাৰিণী মোহন বৰুৱা—অধ্যক্ষ মহোদয়, সেই ৰাষ্টাটোৰ কিছু অংশত মেঘালয়ৰ ফালৰ পৰা শিল আদি পেলাইছে। এই বিষয়ে আমাৰ চৰকাৰ অৱগত হয়নে নহয় মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মেঘালয়ৰ লোকে সেই ৰাষ্টাটোত শিল আদি পেলোৱাৰ কথা চৰকাৰে নাজানে। যদি প্ৰকৃততে তেনেকুৱা ঘটনা ঘটিছে তেনেহলে সেইটো তদন্ত কৰি ব্যৱস্থা লোৱা হব।

## Short Notice

## Questions and Answers

Date : 27th November, 1984.

Re : Shortage of food grains

Shri Silvius Condpan asked :

1. Will the Minister, Food & Civil Supplies be pleased to state—

(a) Whether assessment has been made by the Govt. to meet the shortage food grains in view of the last flood ?

(b) If so, the target fixed by Govt. to procure food grains for the State ?

Shri Dhaniram Rongpi replied :

Yes, a statement is placed on the table of the House.

## Announcement from the Chair

Mr. Speaker—I hereby inform the House that Hon: Shri Nobin Chandra Kath Hazarika, Deputy Speaker

and Hon. Shri Keshab Chandra Gogoi, Minister, Industries, Revenue etc. have requested to grant them permission to remain absent during the Winter Session of the Assembly as they are away from the Headquarters for undergoing medical treatment outside the State ?

Shri Upendra Das, Minister, Fisheries, Co-operation etc. has requested to grant him leave of absence during the current Session of the Assembly as the Hon. Minister would be away from the Headquarters on a study tour abroad. Shri Sadhan Ranjan Sarkar, Minister, Veterinary also informed me that he would be away from the Headquarters on a study tour.

I hope this has the approval of the House.

( Voices : 'Yes', 'Yes' )

## Statement by Chief Minister

Now Hon: Chief Minister will make a statment on the performance of the 20-Point Programme. There is a letter of appreciation from the Union Minister of Health & Family Welfare, in this connection.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই বহলাই কব বিচৰা নাই। কাৰণ এইবিলাক কথা আমাৰ মাননীয় সদস্য সকলে জানে। আৰু তেখেত সকলৰ সহযোগিতাত আমি ১৯৮৩-৮৪ চনৰ আৰ্থিক বছৰটোৰ ভালেকেইটা প্ৰশংসনীয় কাম কৰিব

পাৰিছো। ইয়াৰ ভিতৰত আমাৰ কুৰিদফীয়া অঁাচনিৰ ১৬ টা বিভাগৰ গ্ৰেদিং লিষ্টখন পঢ়ি দিছো। ১৯৮৩-৮৪ চনৰ ১০ টা বিষয়ত এচিভমেণ্টৰ ক্ষেত্ৰত শতকৰা ৯০ ওপৰত আছে আৰু তিনিটা বিষয়ত শতকৰা ৮০ ভাগৰ ওপৰত আছে আৰু তিনিটা বিভাগত শতকৰা ৮০ ৰ তলত আছে। বিশেষকৈ আমাৰ এইবাৰ দুটা পুৰস্কাৰ পোৱা হৈছে। এটা হৈছে খোৱা পানীৰ বিভাগত। আমি ভাল কাম কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১৯৮৩-৮৪ চনৰ বাবে ৪ কোটি ২০ লাখ টকা উপহাৰ দিছে। ষ্টেৰেলাইজেচনৰ ক্ষেত্ৰত এক লাখ ২৫ হাজাৰ এচিভমেণ্ট হোৱাৰ বাবে ২ কোটি ৫০ লাখ টকা উপহাৰ দিছে। মই চিঠিখনৰ এটা পাৰা পঢ়ি দিছো।

"Dear Shri Saikia,

I am very happy to inform you that your State has won the First Prize of Rs. 2.5 crores for family welfare for the year 1983-84 in Group C category. Kindly accept my heartiest congratulations. Please convey our appreciation to your Health Minister, Health Secretary, Director in-charge of Family Welfare Programme, Field officers, workers, and voluntary organisations, with whose efforts and dedication such high level of performance was achieved in your State. We also thank the very large number of couples in your State who have accepted the small family norm.

Population programme was dearest to the heart of our beloved Indiraji. We owe to her memory to continue the implementation of this programme with greater dedication. I am confident that, under

your leadership and guidance, the staff and voluntary organisations in your State will promote the Family Welfare Programme with added vigour during the current year so as to exceed the targets. We will be happy to render all possible support and help in accelerating the pace of the programme so as to achieve the goal of 60% Couple Protection Rate earlier than the targeted date."

That is all, Sir.

Shri Md. Umarddin—Sir, other this amount of Rs. 2.5 crores is an additional grant or the amount will be given as reward to members of the staff.

Shri Hiteswer Saikia (Chief Minister)—It is a prize, we will spend this amount for the welfare programmes.

## Laying of Statement under Rule 69 (I) and introduction of Government Bills

Mr. Speaker—Shri Hiteswar Saikia, Chief Minister.

Shri Hiteswar Saikia ( Chief Minister )—I beg to lay a statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate legislation by Ordinance, i. e. the Code of Criminal Procedure ( Assam Amendment ) Ordinance, 1984 (Assam Ordinance No. VI of 1984 ).

Mr. Speaker—Shri Hiteswer Saikia, Chief Minister.

Shri Hiteswar Saikia (Chief Minister)—I beg leave to introduce the Code of Criminal Procedure (Third Assam Amendment) Bill, 1984.

Mr. Speaker—Is it the pleasure of the House to grant leave to the Hon. Chief Minister to introduce the Bill ?

(Voices—'Yes', 'Yes')

The leave is granted.

Shri Hiteswer Saikia (Chief Minister)—I beg to introduce the bill.
(The Secretary read out the title of the Bill introduced).

Shri Rameswar Dhanwar (Minister)—Sir, I beg leave of the House to introduce the Assam Tea Plantation Employees' Welfare Fund (Amendment) Bill, 1984.

Mr. Speaker—Is it the pleasure of the House to grant leave to introduce this Bill ?

(Voices : yes, yes)

leave is granted.

Now, I read out a message from the Governor "I, Shri Bishma Narayan Singh, Governor of Assam,

do hereby recommend under Clause 1 of Art. 207 of the Constitution of India the introduction of Assam Tea Plantations Enployees Welfare Fund ( Amendment ) Bill, 1984".

Sd/- Bishma Narayan Singh
Governor of Assam

Shri Rameswar Dhanwar (Minister)—Sir, I introduce the Bill. ( Secy: A.L.A. read out the title of the Bill )

Government Resolution

Shri Hiteswar Saikia (Chief Minister)—Sir, I beg to move that this House ratifies the amendment to the Constitution of India falling within the purview of the Proviso to clause (2) of article 368 thereof, proposed to be made by the Constitution (Fifty-third Amendment) Bill, 1984, as passed by the two Houses of Parliament. This amendment seeks to amend Art. 330 and 332 of the Constitution. Art. 330 of the Constitution relates to reservation of seats in the Lok Sabha for Scheduled Castes and Scheduled Tribes. Art. 332 relates to reservation of seats in State Legislative Assemblies. On an earlier occasion by the Constitution Thirty First Amendment Act 1973, provisions of this articles were made applicable to Maghalaya, Arunachal Pradesh, Mizoram in addition to Nagaland and Sixth Scheduled Areas of Assam, where no sush reservation was in

existence.

'Meghalaya Legislative Assembly passed a Resolution on 31st March, 1980 urging Govt. of India to provide for reservation of seats for Scheduled Tribes in the State Legislative Assembly and also in Lok Sabha in the pattern obtaining in other states of the country.

Against this background the Constitution Fifty-Third Amendment Bill 1984 has been passed by both the Houses of Parliament, to meet the aspiration of tribal people of Meghalaya, Nagaland, Arunachal Pradesh and Mizoram by providing reservation of seats in the Lok Sabha as well as State Legislative Assemblies.

According to constitutional provisions amendment to constitution will have to be ratified by the Legislatures of not less than one half of the States by the resolution. Hance this motion.

Shri Benoy Kr. Basumatary—Sir, I stand to support this Motion; We have to ratify this Bill which is required under Art. 368 (2) (a) of the constitution because it is a matter of representation in the Parliament and Earlier in Art; 331 (b) there was no provision for reserved seats in the Parliament and in the Assembly in the tribal areas of Assam, Nagaland, Meghalaya, Arunachal Pradesh and Mizoram. We know when the independence came to us these tribal areas which were called the Hill districts in different names were parts of Assam and they had parted from

Assam for various reasons. On the issue that is highlighted through this amendment is that the tribals of these areas are very keen to preserve their ethnic identity, and also there were other reasons of unhappiness, which is even now existing in Assam. The reasons are these :—

Sir, the constitution has provided so many protective measures for the scheduled castes and other backward tribes but it is the history of Assam that these protective provisions are always denied to the tribals. Sir, I will now cite an instance which has happended about 3 (three) days back. Sir, this Govt. of India are making lot of noise to protect the rights of the tribals and in Assam the main feature of such protective measures of tribals are the creation of tribal belts and blocks. Sir, as we all know, according to the rules these tribal blocks and belts after the creation of such blocks non-tribals are ineligible to get the settlement of land or to reside in those belts and blocks. Sir, on 20th of this month I went to a place to inaugurate a road under R. L. G. P. programme. Sir, when I went there I was approached by some people of Chah Mazdoor Goan Panchayat Committee within my constituency that ineligible people have occupied ceiling surplus lands from Hatigarh Tea Gardens and they have given it to me in writing that Kabuli has occupied about 30 bighas of ceiling surplus

lands depriving the tribals and other Ex-tea-garden labourers. Sir, when I enquired the position I came to know that it was the fact. Then, it was intimated to that 'kabuli' that he should vacate and give the lands back to the tribals. Thereafter, Sir, I left the the place. But Sir, only yesterday I came to know this 'Kabuli' had threatened the ex-tea-garden labourers saying that he would not vacate and threatened them with a long sword. Sir, these are the problems of preserving the identity of the tribal people and their blocks and belts. Sir, I am raising all these points as these are very much in line on this subject. Sir, I am quoting a portion of the speech of Shri Bijoy Krishna Handique in Rajya Sabha. He has stated in his speech that the influx of non-tribal people from other regions of the country threatened to reduce the local indigenous people to minority, just cutting at the root of the political aspirations of these people. Such a phenomenon negates the very philosophy of meeting political aspirations of the people and has created a serious impact on the political power of the indigenous people. We believe and the Govt. of India believe that political power hold the key to social and economic development of this under-developed region. This is a part of the debate on the constitution (Fifty third Amendment) Bill, 1984, and I am quoting this portion only to justify the fact of the denial of

rights to the tribals and I am sure, Sir, this is very much in line on this debate. I would like to draw the attention of the Hon'ble Chief Minister the ineligible people are depriving the tribals and ex-tea-garden workers from their legitimate rights in their own lands. Sir, the Constitution under the provision of the 6th Schedule has protected the rights and entities of the tribals but in practice they are denied to the tribals. That is why, Sir, the Meghalaya Assembly has moved a resolution for the creation of separate reserved seats or separate tribal constituencies to safeguard the very identity of the tribals. Sir, as you know, tribals are not unreasonable people they are very reasonable people. If this State of Assam belongs to the tribal people it would have been a very peaceful State because the tribal people do not believe in violence or the tribal people could not be made easily violent. But the tribals have now become minority. That is why the reservation of seats for tribal is required. In Assam we have only 16 reserved seats both in the hills and in the plains but what about the delimitation of the constituencies. In some constituencies the tribal population is very small. It varies from 22% to 38% only. If all the compact areas are constitituted into a constitituency the tribals would be majority, if not majority it would be atleast 50%. Therefore, Sir, I support this Bill because the plains

tribal people in Assam are not feeling safe. Few minutes ago the Honourable Leader of the House has read out a letter but we also know that the development of sericulture and weaving in the tribal populated areas vary from 3% to 8%. Sir, this is a State where we the tribal people are living and where the developmental programmes for the tribals are not implemented. There are reasons but these reasons are not like other reasons. The reasons are the tribals people are not liked by other people and they do not want the development of the tribals. Those people who are already in advantageous position do not like that the tribals should also develop at per. They want these tribal people as water carrier, fire hunters etc.

These plains tribal people have been demanding separate identity since 1927 before the Simon Commission and in 1967 the plains tribal people have demanded an autonomous state. Now, Sir, on behalf of the plains tribal people I place the demand of a "Plains Tribals land" a seperate state for Plains Tribal which will be very much in the line with the policy of the Government of India. I believe that it is the policy of the Government of India to preserve the identity of the tribal people. The people of Maghalaya supported this move and the Maghalaya Assembly has concretised this resolution because they feel that

the identity of the tribal people should be preserved. The plains tribal of Assam also demand that this Plains Tribals land should be conceded by the Government of India. I very strongly support this amendment because this a very good piece of legislation to preserve our identity and I hope the Government will be equally liberal and accept the identity of the plains tribal people. With these few words I conclude my speech.

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দাঙি ধৰা প্ৰস্তাৱটো ময়ো সমৰ্থন কৰিছোঁ। মেঘালয় বিধান সভাতো এই প্ৰস্তাৱটো গৃহীত হৈছে। আগৰ এই প্ৰস্তাৱটোৰ সাংবিধানিক সমৰ্থনো আছে আৰু সংসদতো গৃহীত হৈছে। সংবিধানৰ ধাৰামতেই আমি ইয়াত অনুমোদন জনাবলগীয়া হৈছে। অনুমোদন আমি জনাম। কিন্তু কথা হল কাম কিমান হব? কিমান উন্নত কৰিব পাৰিম? আজি আমেৰিকাৰ পৰা মানুহ চন্দ্ৰলৈ গৈ তাত বসবাস কৰা কথা চিন্তা কৰিছে। কিন্তু আমি কি কৰিছোঁ?

চাৰ, আমি সকলোৱেই ট্ৰাইবেল আছিলোঁ, কিন্তু ক্ৰমবিকাশৰ ফলত আমি আজি এনে এটা অৱস্থা পাইছোঁ। ভাৰতবৰ্ষলৈ আৰ্য্যসকল আহিছিল বাহিৰৰ পৰা আৰু আহি সেই ঠাইৰ আগৰ অধিবাসী সকলক খেদি পঠিয়াই দি তাত বসবাস কৰিবলৈ ললে। সেই অধিবাসী সকল কিছুমান গ'ল পাহাৰলৈ আৰু কিছুমান গ'ল দাক্ষিণাত্যৰ ফালে। সেই সকলকে আমি আজি ট্ৰাইবেল আখ্যা দিছোঁ। দেশ স্বাধীন হোৱাৰ দিনৰে পৰা চৰকাৰে ট্ৰাইবেলৰ উন্নতিৰ কাৰণে চেষ্টা চলাইছে। কিন্তু দুখৰ বিষয় এইটোৱেই যে স্বাধীনতাৰ ৩৭ বছৰৰ পিচতো ট্ৰাইবেল ট্ৰাইবেল হৈছে থাকিল। অলপ আগতে আমাৰ বসুমতাৰী ডাঙৰীয়াই

ট্ৰাইবেলৰ দুৰ্গতিৰ বিষয়ে কৈ গৈছে। অসম চৰকাৰে ট্ৰাইবেলৰ মাটি ৰক্ষাৰ কাৰণে আইন কৰিছে কিন্তু ৰক্ষা কৰিব পৰা নাই। অসমৰ পৰাই বিভিন্ন ট্ৰাইবেল ৰাজ্যৰ সৃষ্টি হল। আমাৰ আগৰ চলিহাকে আদি কৰি বহু নেতাই কৈছিল যে জনজাতীয় সকলৰ হাতত ক্ষমতা দিলে হয়তো তেওঁলোকে ট্ৰাইবেল মানুহৰ কাৰণে বেছি চিন্তা কৰিব। কিন্তু তেতিয়াহলে আমাৰ দক্ষিণ ফালে থকা গাৰোপাহাৰৰ ট্ৰাইবেল সৰ্ব্বস্বান্ত হৈ ভৈয়ামলৈ নামি আহিছে কিয় ? শ' শ' ল'ৰা-ছোৱালী তিৰোতা নামি আহিছে কাম বিচাৰি। কিয় আহিবলগীয়া হৈছে ? মেঘালয় ট্ৰাইবেল ৰাজ্য হল তাৰ বেছিভাগ মন্ত্ৰীও ট্ৰাইবেল মানুহ কিন্তু তথাপিও আজিও তাত ট্ৰাইবেল মানুহৰ কিবা উন্নতি হৈছে নে ? ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৩৭ বছৰৰ পিচতো ট্ৰাইবেলৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা নাই। বঙালী মানুহে গৈ মাটি অধিকাৰ কৰি জনজাতীয় মানুহক খেদি পঠোৱা নাই, এইটো হৈছে ধনতন্ত্ৰবাদ দুৰ্দ্দান্ত আক্ৰমণৰ কাৰণে। এই দুৰ্দ্দান্ত আক্ৰমণত ট্ৰাইবেল সকল তিষ্ঠি থাকিব পৰা নাই। তেওঁলোকক কোনেও পাট্টা দিয়া নাই। ধনতন্ত্ৰবাদৰ যি অন্যাও সি যুগে যুগে মানুহক শোষণ কৰি আহিছেই তাৰোপৰি আকৌ মহাজনী সুতৰ শোষণতো আছেই আমাৰ মানুহৰ ওপৰত। সৰ্ব্বসাধাৰণ ৰাইজৰ উৎপাদন তেওঁলোকে নিজে ৰক্ষা কৰিব পৰা নাই। নোৱাৰে। যেতিয়ালৈকে মূল নীতিৰ পৰিবৰ্ত্তন নহব। এই নীতি ৩ টা। দেশত শিল্পনীতি, কৰ নীতি আৰু ভূমি নীতিৰ পৰিৱৰ্ত্তন নহলে কাৰো অৱস্থাৰ পৰিৱৰ্ত্তন নহয়। সেই মিশ্ৰ অৰ্থনীতিয়ে ৰাজহুৱা খণ্ডত আৰু ব্যক্তিগত খণ্ডত প্ৰাধান্য লাভ কৰিছে। কিন্তু ৰাজহুৱা খণ্ডত বেছি ভাগেই লোকচান হয়, ব্যক্তিগত খণ্ডত লোকচান নহয়। লাভহে হয়। এবছৰত টাটাৰ লাভ হয় পাঁচ শ' নব্বৈ কোটি টকা। অসমৰ এবছৰৰ বাজেটতকৈ বেচি। পাৰ্লিয়ামেণ্টত এটা প্ৰশ্নৰ উত্তৰত এই কথাটো কোৱা হৈছে যে টাটাৰ লাভ হয় বছৰি ৫ শ' ৯০ কোটি টকা। দেশৰ সমস্ত সম্পদ যদি মুষ্টিমেয় পুজিপতিৰ হাতত জমা দিয়া থাকিব তেতিয়া সৰ্ব্বসাধাৰণ

বাইজৰ উন্নতি অসম্ভৱ কথা। আমাৰ চৰকাৰে প্ৰত্যক্ষ কৰৰ কথা পাহৰি আছে। পৰোক্ষ কৰ ইমান বৃদ্ধি হৈছে যে প্ৰত্যেক্ষ কৰ আদায় কৰাটো বন্ধই কৰিব লাগিব যেন পাইছোঁ। কাৰণ চেম্বাৰ্চ অৱ কমাৰ্চৰ প্ৰতি বেছি মনোযোগ আছে আমাৰ চৰকাৰৰ। গতিকে কৰনীতিয়ে আজি জনসাধাৰণৰ জীৱন ভয়াবহ কৰি তুলিছে। তেওঁলোকে নিজে নিজৰ কাৰণে অৰ্থ সংগ্ৰহ কৰিব নোৱাৰে। কাৰণ দিনে দিনে মূল্যবৃদ্ধিয়ে তেওঁলোকক জুৰুলা কৰি তুলিছে। কৃষকৰ সকলো ফালে শোষণ। দেশত স্বাধীনতাৰ ৩৭ বছৰৰ পিচতো জে, চি, কুমাৰাপ্পাই কৰি যোৱা ভূমিনীতি কাৰ্য্যকৰী নহল। কুমাৰাপ্পাৰ মধ্যস্বত্ব ভোগী বিলোপ নীতি কাৰ্য্যকৰী কৰা হলে কৃষক সকল আজি লাভবান হব পাৰিলেহেতেন। ইফালে মহাজনী চুক্তিত মানুহ জুৰুলা। ১০০ টকাত ধান দিব লাগে ৫ মোন। আকৌ ১০০ টকাত ১২০ টকা সুত দিব লাগে। এই ব্যৱস্থাত ট্ৰাইবেল সকলেই আটাইতকৈ জুৰুলা হৈছে। এই অৱস্থাত চলি থাকিলে মই কওঁ কোনেও কেতিয়াও ট্ৰাইবেল জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰে। সেই কাৰণেই এই দাবী সমৰ্থন কৰাৰ লগে লগে দৃষ্টিপাত কৰিব খুজিছোঁ এই যি ভূমি নীতি আৰু কৰ নীতিৰ ওপৰত যি নীতিয়ে জনসাধাৰণক দুৰ্যোগৰ মাজত পেলাই থৈছে সেই নীতিৰ পৰিৱৰ্ত্তন লাগে।

আজি কিছুদিনৰ আগলৈকে আমাৰ ৰাস্তাত মাটি কটা বনুৱাৰ মাজত তিৰোতাৰ সংখ্যা একেবাৰেই নাছিল। কিন্তু আজি দেখিব এওঁলোকৰ সংখ্যাহে বেছি হৈছে। হাজোৰ পৰা বৰপেটালৈ যোৱা এই ৰাস্তাটোত হাজাৰ হাজাৰ 'ইমিগ্ৰেণ্ট' মুছলমানৰ তিৰোতা আৰু ট্ৰাইবেল সকলৰ তিৰোতাই ৰাস্তাত মাটি কাটি আছে। সদায়েই পৰ্দ্দাৰ তলত থকা এই মুছলমান লোকৰ তিৰোতা আৰু আমাৰ বুকুত মেঠনি মাৰি থকা জনসাধাৰণৰ তিৰোতা সকলক মাটি কাটিবলগীয়া অৱস্থাৰ মাজলৈ কোনে ঠেলি দিলে? এইটোৱেই হৈছে আজি আমাৰ প্ৰশ্ন। গোৱালপাৰা আৰু মৰভোগত ৰাজবংশী সকলৰ তিৰোতাইও মাটি কটা আৰম্ভ কৰিছে। সমাজৰ একশ্ৰেণীয়ে এই লোকসকলক শোষণ কৰি কৰি নিৰ্যাতনৰ

মাজলৈ ঠেলি দি এই অৱস্থাত উপনীত কৰাৰ কাৰণে আমি নিতান্তই দুখীত। এইটো অতি লাজ লগা কথা হৈছে। তিৰোতা সকলৰ এই অৱস্থা কোনো অসমীয়া বা বঙালী মানুহে কৰা নাই। কৰিছে আমাৰ দেশ তথা সমাজত গা কৰি উঠা পুজিবাদী সমাজ ব্যৱস্থা আৰু অৰ্থ-নৈতিক অৱস্থাইহে। জাতীয়কৰণৰ ব্যৱস্থা, ভূমি সংস্কাৰৰ ব্যৱস্থা সকলো আজি স্তব্ধ হৈ গল। ১৯৭৬ চনৰ পাচত ভূমি সংস্কাৰৰ নাম গোন্ধেই নাই। ৬ষ্ঠ বাৰ্ষিক পৰিকল্পনাতহে ভূমি সংস্কাৰৰ কাম অলপ লোৱা হৈছে। সেই কাৰণেই মই, অধ্যক্ষ মহোদয়, এই কথাটো আজি সকলোৰে দৃষ্টিগোচৰ কৰিব খুজিছো যে, এই ব্যৱস্থা সদায় চলি থাকিলে আমাৰ সমাজৰ এই সকল লোকক কেতিয়াও আমি নিৰাপত্তা দিব নোৱাৰিম। এশ বছৰৰ পিছতো আমি এই সকল লোকক নিৰাপত্ত দিব নোৱাৰিম। ইয়াৰ উদাহৰণ কেৱল আমাৰ অসমতে নহয় গোটেই পৃথিবীতে আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰে যিখিনি ভূমি সংস্কাৰৰ কথা কৈছে, এই সন্দৰ্ভত মই ইয়াকে কব খোজো যে, জে, চি, কুমাৰাপ্পাৰ অনুমোদনো যদি চৰকাৰে মানি ললেহেঁতেন তেতিয়াহলেও, কিছু কাম হলহেঁতেন ভূমি সংস্কাৰ খৰতকীয়া কৰি, দেশী বিদেশী একচেতীয়া পুজিপতিৰ হাতত থকা উদ্যোগ সমূহ জাতীয়কৰণ কৰি প্ৰকৃত সমাজবাদী সমাজ গঠন কৰিহে দেশৰ দৰিদ্ৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব পৰা যাব।

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিষয়টো আছিল পাৰ্লিয়ামেণ্টে পাছ কৰা এখন আইনৰ 'ৰেটিফিকেশ্বন' কৰা। আমাৰ মাননীয় সদস শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই আজি জনজাতীয় সকলৰ উন্নয়নৰ যিটো বিষয় উত্থাপন কৰিলে সেইটো বেলেগে আলোচনা কৰিবলৈ বিচৰা হলে নিতান্তই ভাল পালোহেঁতেন। তথাপিও আমাৰ মেঘালয়কে আদি কৰি পাৰ্বত্য ৰাজ্য কেইখনৰ জনজাতীয় লোক সকলৰ স্বাৰ্থত আগবঢ়োৱা সংশোধনীটো নিতান্তই আদৰণীয়। আমাৰ

মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়া আৰু শ্ৰীবসুমতাৰী ডাঙৰীয়াই প্ৰস্তাৱটো সমৰ্থন কৰাৰ কাৰণে মই ভাল পাইছো।

এই প্ৰসঙ্গত আমাৰ মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই স্থানীয় জনজাতিৰ লোকসকলৰ উন্নয়নৰ কথাটো উল্লেখ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ জনজাতি সকলৰ উন্নয়নৰ কথাটো সদনেই আলোচিত হয়। জনজাতি সকলক উন্নতি কৰা মানে এইটো নুবুজায় যে, যি সকল জনজাতি নহয় সেই সকলৰ ক্ষতি হবই। আমি যদি প্ৰকৃত কথা বিলাক বাখ্যা কৰি চাওঁ তেতিয়াহলে দেখা পাম যে, জনজাতি সকলক অন্যায় কৰাৰ মনোবৃত্তি অকল অসমতেই নহয়, ভাৰতবৰ্ষত কতো নাই। স্বাধীনতা লাভ কৰাৰ পিচত ভাৰতবৰ্ষই যেতিয়া ১৯৫০ চনত সংবিধান গ্ৰহণ কৰে তেতিয়া অবিভাজ্য অসমৰ জনজাতি সকলৰ উন্নয়ণৰ কাৰণে স্বাধীন ভাৰতৰ সংবিধানত উক্ত অনুচ্ছেদৰ ব্যৱস্থা কৰা হয় আৰু তাৰ দ্বাৰা ভাৰতৰ উত্তৰ পূবৰ জনজাতি সকলৈ বিশেষ সা-সুবিধা আগবঢ়ায়। সমাজৰ আন আন শ্ৰেণীৰ লোক সকলৰ লগত সমানে আগবাঢ়ি যোৱাৰ কাৰণে এই ব্যৱস্থা গ্ৰহণ কৰে। উত্তৰ পূৰ্ব্বাঞ্চলৰ জনজাতি সকলৰ উন্নয়ণৰ কাৰণে যদিও এই ৬ষ্ঠ অনুচ্ছেদৰ সনিবিষ্ট কৰা হৈছিল তথাপিও তাৰ পিছত এই ৰাজ্য সমূহ অসমৰ পৰা আতৰি যোৱাৰ পাছত যি সকল জনজাতি লোক আমাৰ ইয়াত থাকি গল সেই সকলৰ উন্নয়নৰ কাৰণে চৰকাৰে নিজৰ চেষ্টা অব্যাহত ৰাখিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক ট্ৰাইবেল বেল্ট আদি আছে সেই বিলাকত অনা ট্ৰাইবেল লোকো বহুত আছে। ট্ৰাইবেল বেল্ট সৃষ্টি কৰাৰ সময়তেই এই লোক সকলো তাত আছিল। কিন্তু এই লোক সকলৰ বাহিৰেও তাৰ পিছতো কিছুমান মানুহ সোমাইছে। চৰকাৰৰ বিভিন্ন ব্যৱস্থা সমূহৰ দ্বাৰা আমি যি সকল লোকৰ ৰক্ষণা বেক্ষণৰ ব্যৱস্থা কৰিছো সেই সকল লোকো এই বিলাক বিষয়ত অলপ সজাগ থাকিব লাগিব। শদিয়াৰ ট্ৰাইবেল বেল্টত মিছিং লোক সকলেই

আছে। তাত কিন্তু মিছিঙৰ সংখ্যা কম। মাটি যাতে তাত কিনা বেচা নহয় তাৰ কাৰণে কেইবাবাৰো কোৱা হৈছে। কিন্তু তত্‌স্বত্বেও আন আন মানুহ সোমাইছে। এই বিষয়ে প্ৰশ্ন কৰাত মিছিং লোকসকলে হাঁহি দিয়ে। সেইদৰে কাৰ্বি আলংঙত ডিষ্ট্ৰিক্ট কাউন্সিল আছিল। তথাপিও তাত অন্য মানুহৰ সংখ্যা বাঢ়ি আছে। এই কথাটো জন-জাতীয় লোক সকলেও চাব লাগে। মই ইয়াৰ কাৰণে আমাৰ জনজাতীয় লোক সকলক দোষাৰোপ কৰিব খোজা নাই। মাত্ৰ কব খুজিছো যে, যি সকলৰ বাবে ব্যৱস্থা সমূহ, সেই সকলও সজাগ হব লাগে। এই বিষয়ে মই কংগ্ৰেছ আইৰ সভাতো আলোচনা কৰিছো বিতংভাবে। আজি মেঘালয় সৃষ্টি হোৱাৰ পিছতো তাৰ জনজাতীয় লোক অসমলৈ চাকৰি বিচাৰি কিয় আহিব লগীয়া হৈছে সেইটো বিচাৰ্য্য বিষয়। ২০ দফীয়া অৰ্থনৈতিক আঁচনিত দুটা দিশত সাফল্য লাভ কৰা কথাটো স্বীকাৰ কৰিব লাগিব। জনজাতিৰ বিধায়ক সকলৰ লগত আৰু মুখ্য সচিবৰ লগতো এই বিষয়ে মই বিতং ভাৱে খৰচি মাৰি আলোচনা কৰিছো।

মই কাৰো বিৰুদ্ধে কব খোজা নাই। সিদিনা দেওবাৰে মই কৰ্ম-চাৰী সকলৰ সভাতো এই কথা কৈছো। মেঘালয় হিল ষ্টেট কৰাৰ পিচত ট্ৰাইবেল সকলৰ মাজৰ পৰাই মন্ত্ৰী আদি হৈছে যদিও তাত কি অৱস্থা হৈছে আমি সকলোৱে দেখা পাইছো। আমাৰ ট্ৰাইবেল ওৱেল-ফেয়াৰ বিভাগৰ কমিশ্যনাৰ জনজাতীয় লোক, ডিৰেক্টৰ জনজাতীয় লোক। যিমান বিলাক জনজাতীয় ডিৰেক্টৰেট আছে সকলো বিলাক জনজাতীয় লোক, কিন্তু কাম কিয় হোৱা নাই। টকাৰ কাৰণে কোনো অসুবিধা পোৱা নাই। টকা আগতীয়াকৈ দিয়া হৈছে। ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাৰণে এশ চল্লিশ কোটি টকা ধাৰ্য্য কৰা হৈছে। ১৯৭১ চনৰ জনসংখ্যা অনুপাতে অৰ্থাৎ তেতিয়া তেৰ লাখ চৌৰাশী হাজাৰ জনজাতীয়ৰ কাৰণে ষষ্ঠ পৰিকল্পনাত এশ চল্লিশ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই বছৰ ১৯৮৪-৮৫ চনৰ কাৰণে জনজাতীয় উন্নয়নৰ

কাৰণে ট্ৰাইবেল চাবপ্লেনত ৬৭ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু সেইখিনি খৰচ কৰিলে আৰু ৯ কোটি টকা দিব পৰাকৈ ৰখা হৈছে। ১৯৮৫-৮৬ চনৰ কাৰণে চৌষষ্ঠি কোটি টকা ৰখা হৈছে। তাৰোপৰি সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাৰণে ৩৮৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। টকাৰ কাৰণে যাতে কোনো অসুবিধা নহয় সেইটো চোৱা হৈছে। মই কাৰো বিৰুদ্ধে কব খোজা নাই। কিন্তু আমাৰ যিটো সমাজ ব্যৱস্থা যি সমাজৰ আমি জন্ম গ্ৰহণ কৰি ডাঙৰ দীঘল হৈছো সেইমতে যি সকলে জনজাতীয় সকলক নেতৃত্ব দি থকা হৈছে সেই সকলেও এই কথা বিলাক লক্ষ্য ৰাখিব লাগিব। মই উত্তৰ প্ৰদেশ ৰাজ্যৰ চিফ কাষ্ট এচিভমেণ্ট ৰিপোৰ্টখন পঢ়ি চাইছো। তাত দেখা গৈছে যে ১৯৪৭ চনৰ পৰা ১৯৭৯ চনলৈকে ৰাজ্যখনত অনুসূচীত সকলৰ কাৰণে যিমান টকা খচৰ কৰা হল তাৰ শতকৰা আশী ভাগ ধন সাধাৰণ লোকৰ কাৰণে খৰচ হৈছে। এই বিলাক সঁচা কথা অপ্ৰিয় হলেও কব লাগিব। বৰ্ত্তমান এশ চল্লিশ কোটি টকা ধাৰ্য্য কৰা হৈছে আৰু সপ্তম পাচ বছৰীয়া পৰিকল্পনাৰ কাৰণে ৩৮৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই বছৰ সাতচল্লিশ কোটি টকাৰ বাহিৰেও আৰু উনৈশ কোটি টকা আছে। খৰচ কৰিব পৰা নাই। বিত্ত বিভাগৰ মঞ্জুৰী দিয়াত পলম হৰ ভাবি অসুবিধা নহওক বুলিয়েই টকাৰ ব্যৱস্থা কৰি ৰখা হৈছে। ১৯৮৩-৮৪ চনত দহ হাজাৰ চাৰিশ পয়ত্ৰিশ জন জনজাতীয় লোকৰ ছাত্ৰক বৃত্তি দিয়া হৈছিল কিন্তু দেখা গৈছে গোটেই টকাখিনি অপচয় হৈছে। কিয়নো পৰীক্ষাৰ পিচতহে টকাখিনি দিয়া হৈছে। এডমিশ্যনৰ সময়ত টকা নাপায়, অভিভাৱকে যেতিয়া কিতাপ কিনি দিব লাগে তেতিয়া টকা নাপায়, ফীজ দিয়াৰ সময়তো টকা নাপায় কিন্তু পৰীক্ষা হৈ যোৱাৰ পিচত টকাখিনি পাই, কোনোবাই ঘড়ী কিনিছে, চাইকেল কিনিছে, চিনেমা আদি চাই খৰচ কৰিছে। অৰ্থাৎ যি কাৰণে টকা দিয়া হৈছিল সেই ভাবে ব্যৱহৃত হোৱা নাই। মই কাৰো বিৰুদ্ধে কব খোজা নাই কিন্তু মোৰ এইটো খেদ যে আমি মৰম নকৰো বুলি

কয়। আমাৰ দাস ডাঙৰীয়াইও কৈছে কিন্তু এইটো ঠিক যে সমাজৰ মনোবৃত্তিৰ পৰিবৰ্ত্তন নহলে কেৱল টকা দিলেই কাম নহব। কব পাৰে যে আমি দায়িত্ব লৈছো। সেইটো ঠিক যে মই দায়িত্বত আছো, কিন্তু ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হৈছে। অসমত চাৰিটা নতুন ট্ৰাইবেল ব্লক সৃষ্টি কৰা হৈছে। লিংগুইষ্টিক মাইনৰিটিৰ কোনো কোনোয়ে ইয়াৰ সম্পৰ্কত কৈছেও কিন্তু তথাপি খৰচ কৰাৰ কাৰণে এক্সট্ৰা টকা দিয়া হৈছে। আমাৰ কথা হ'ল খৰচ কৰক। জনজাতীয় সকলৰ উন্নতি হওক। এশ চল্লিশ কোটিৰ ঠাইত তিনিশ তিৰাশী কোটি টকালৈ বঢ়াই দিয়া হৈছে। কিন্তু মই কব খোজো যে ট্ৰাইবেল সকলৰ উন্নতিৰ কাৰণে চৰকাৰেই নহয় জনজাতীয় সকলৰ যি সকল নেতৃত্ব দিয়া লোক আছে সেই সকলেও ইয়াত বৰঙণি যোগাব লাগিব। টকা-পইচাৰ ক্ষেত্ৰত আমিও কৃপণালি কৰা নাই কেন্দ্ৰীয় চৰকাৰেও কৃপণালি কৰা নাই। কেন্দ্ৰীয় চৰকাৰেও আমাক সহায় কৰিছে। টকাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰেও কৃপণালি কৰা নাই। মই আশা কৰিছো এই কথাখিনি শ্ৰীবসুমতাৰী ডাঙৰীয়াই এপ্ৰিচিয়েট কৰিব। মই কাৰো বিৰুদ্ধে কব খোজা নাই। যাৰ কাৰণে দিয়া হৈছে সেই সকলৰ কাৰণে যদি খৰচ কৰিব পৰা নহয় সেইটো চোৱাত চৰকাৰৰ দায়িত্ব আছে। দায়িত্ব বিকেন্দ্ৰীকৰণ কৰা হৈছে যদিও আমি সকলোৱে এই দিশটো চাব লাগিব। জনজাতি কাৰিকৰী শিক্ষাৰ কাৰণে ধেমাজিত যোৱা বছৰ চৈধ্য লাখ টকা আৰু এই বছৰ আৰু সাত লাখ টকা দিয়া হৈছে। কোকৰাঝাৰতো কৰা হৈছে। এই বিলাক আঁচনিত নিশ্চয় মাননীয় সদস্য সকলে সহযোগ কৰিব আৰু মই এইখিনি কৈয়েই আশা ৰাখিছো আৰু মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়া আৰু শ্ৰীবসুমতাৰী ডাঙৰীয়াক ধন্যবাদ দিছো আৰু সকলোকে অনুৰোধ কৰিছো যেন তেখেত সকলে ইয়াত আপত্তি নকৰিব।

Shri Binoy Kumar Basumatari—Mr Speaker, Sir, the Hon.

Chief Minister has raised a very partinent point here. A lot of money has been provided for tribal welfare. I need not go into the details. My point is about the tribal welfare block. Chief Minister has stated that inspite of provision of lakhs of rupees, trible lands are passing away to non-tribals. In our area also, the same thing is happening. But all the Government officers are not tribals. If the Government will accept that it is the responsibility of the tribals to clear the tribal belts and blocks of non-tribals and Government will not stop us from driving out, the tribal belts and blocks will be cleared. Can we expect that Sir ? Sir, we are a very kind people; we are not brutes. Now if it is our responsibility to preserve the tribal belts/blocks then I throw a challenge to this Government that tribals be allowed to discharge this responsibility and Government will not stop us at clearing the tribals belts blocks. Sir, I seek a clarification in this regards.

Shri Hiteswar Saikia (Chief Minister)—Sir, law cannot be taken by anybody in his hands. We will be guided by the law of the land and there is nothing wrong if the Government acts according to law.

Mr. Speaker—Now I put the Resolution before the august House that this House ratifies the amendment to the Constitution of India falling within the purview of

the proviso to clause (2) of Article 368 thereof, proposed to be made by the Constitution (Fifty-third Amendment) Bill, 1984, as passed by the House of Parliament.

( The Resolution was adopted by the vote in the House )

The House stands adjourned till 10.00 A. M. on Monday, the 3rd December, 1984.

## Adjournment

The House then rose at 11-20 A. M. and stood adjourned till 10 A. M. on Monday, the 3rd December, 1984.

P. D. Barua
Secretary
Assam Legislative Assembly

Dated, Dispur
the 27th November, 1984